ব্যাকৰণ হৈছে ভাষাৰ চিন্তা আৰু চৰ্চাৰ এক প্ৰাথমিক আৰু সবল পদক্ষেপ। এনে চৰ্চাৰ আৰম্ভ হৈছিল প্ৰাচীন ভাৰতবৰ্ষত বৈদিক সাহিত্যৰ লগতে বিভিন্ন ব্ৰাহ্মণ গ্ৰন্থৰ মাজেদি। অৱশ্যে এনে চিন্তাই সুনিৰ্দিষ্ট ৰূপ লাভ কৰে পাণিনিৰ দ্বাৰা ৰচিত 'অষ্টাধ্যায়ী' নামে খ্যাত "শব্দানুশাসনম" নামৰ গ্ৰন্থৰ মাজেৰে। অসমত এই ব্যাকৰণ চৰ্চাৰ আৰম্ভ হয় উনবিংশ শতিকাত, ইংৰাজ বিষয়া আৰু আমেৰিকান মিছনেৰীসকল অসমৰ অহাৰ পাছতহে।

১৮৩৯ চনত ইংৰাজ বিষয়া উইলিয়াম ৰবিন্সন চাহাবে ৰচনা কৰা "A Grammar of the Assamese Language" নামৰ ব্যাকৰণখনে হ'ল অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ।সেই তেতিয়াৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে অসমীয়া ভাষাত বহুতো ব্যাকৰণ ৰচিত হৈছে।আলোচনাৰ সুবিধাৰ্থে আমি অসমীয়া ভাষাৰ ব্যাকৰণ চৰ্চাৰ ইতিহাসক তিনিটা স্তৰত ভাগ কৰি ল'ব পাৰোঁ। যেনে –

১)উনবিংশ শতিকাৰ অসমীয়া ভাষাৰ ব্যাকৰণ চৰ্চা

২)বিংশ শতিকাৰ অসমীয়া ভাষাৰ ব্যাকৰণ চৰ্চা

৩)একবিংশ শতিকাৰ অসমীয়া ভাষাৰ ব্যাকৰণ

**ব্যাকৰণৰ সংজ্ঞা :**

ব্যাকৰণ শব্দৰ ইংৰাজী প্ৰতিশব্দ হ'ল Grammar,যাৰ ব্যুৎপত্তিগত অৰ্থ হ'ল art of writing অৰ্থাৎ লিখাৰ কলা।ব্যাকৰণৰ সম্পৰ্কে বিভিন্নজন ভাষাবিদে ভিন ভিন সংজ্ঞা দাঙি ধৰিছে।যেনে-

সত্যনাথ বৰাৰ মতে- 'ব্যাকৰণ ভাষাৰ বিশ্লেষণ বা ভাঙনি;ই ভাষা এটাক খণ্ড খণ্ড কৰি তাৰ গঠন প্ৰণালীটোক ভাঙ্গিচিঙ্গি ভিন ভিন কৰি দেখুৱায় আৰু সেই ভিন ভিন খণ্ড বিলাকৰ ভিন ভিন নাম দিয়ে'।

Scanned with CamScanner

গোলোকচন্দ্ৰ গোস্বামীৰ মতে-'কোনো এটা ভাষাৰ গঠন প্ৰণালীৰ বিজ্ঞানসন্মত আৰু তাৰ যথাসম্ভৱ বিতং বিশ্লেষণেই সেই ভাষাৰ ব্যাকৰণ'।

উপেন্দ্ৰনাথ গোস্বামীৰ মতে-'ভাষা এটা বিশ্লেষণ কৰি তাৰ গঠন প্ৰণালীৰ বিষয়ে দাঙি ধৰিলেই ভাষাটোৰ ব্যাকৰণ'।

এইদৰে বিভিন্নজনে আগবঢ়োৱা সংজ্ঞাৰ পৰা এইটো ধাৰণা কৰিব পাৰি যে তেওঁলোকৰ মতে ভাষাৰ গঠনৰ শৃংখলাবদ্ধ আলোচনাই ব্যাকৰণ।

সাধাৰণ অৰ্থত ব্যক্তি এজনে ভাষা এটা ব্যৱহাৰ কৰিবলৈ যাওঁতে ভাষাটোৰ বিষয়ে তেওঁক যিখিনি জ্ঞানৰ প্ৰয়োজন হয় তাকে ব্যাকৰণ বুলি ক'ব পাৰি ।

মানুহে নিজৰ মাতৃভাষাত কথা ক'বৰ বাবে ব্যাকৰণৰ প্ৰয়োজন নহয়।ব্যাকৰণৰ প্ৰয়োজন হয় ভাষাটোৰ গঠন সম্পৰ্কে জানিবলৈ আৰু ভাষাটো শুদ্ধকৈ লিখিবলৈ। অৱশ্যে মাতৃভাষা ভিন্ন লোকক নতুন ভাষা এটা শিকিবলৈ সেই ভাষাটোৰ তাত্ত্বিক কথাখিনি জানিবলৈ ব্যাকৰণৰ প্ৰয়োজন হয়।

## উনবিংশ শতিকাৰ অসমীয়া ভাষাৰ ব্যাকৰণ চৰ্চা :

অসমীয়া ভাষাৰ ব্যাকৰণ চৰ্চাৰ শুভাৰম্ভ ঘটে উনবিংশ শতিকাত । ১৮৩৯ চনত প্ৰকাশিত উইলিয়াম ৰবিন্সনৰ 'A Grammer of the Assamese Language' হ'ল অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ । ইংৰাজসকলে অসমৰ ভাষা শিকিবৰ নিমিত্তে ৰচিত এই ব্যাকৰণখনত ৩৪ টা ব্যঞ্জনবৰ্ণ আৰু ১৬ টা স্বৰবৰ্ণকে ধৰি মুঠ ৫০ টা বৰ্ণৰ আলোচনা কৰা হৈছে ।ব্যাকৰণখনত সন্ধি,সমাস আদিৰ আলোচনা নাই যদিও লিংগ,কাৰক,অব্যয়,ক্ৰিয়া বিশেষণ আদিৰ আলোচনা দাঙি ধৰা হৈছে ।

Scanned with CamScanner

অৱশ্যে ইয়াৰ আগতে দেবানন্দ ভৰালিয়ে 'Manual of the Assamese Grammar' নামৰ ব্যাকৰণ এখন লিখিছিল বুলি গোলোকচন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষাৰ মৌলিক বিচাৰ নামৰ গ্ৰন্থৰ আগকথাত উল্লেখ কৰিছে । ১৯১২ চনত প্ৰকাশিত দেবানন্দ ভৰালিৰ 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ'তো অসমীয়া ভাষাৰ উৎপত্তি প্ৰংসগত অসমীয়া ব্যাকৰণৰ মৌলিক সামগ্ৰী- অসমীয়া বৰ্ণমালা আৰু তাৰউচ্চাৰণ,শব্দৰূপ,তদ্ধিৎ প্ৰত্যয়,সমাস,ক্ৰিয়া,ক্ৰিয়া-বিশেষণ,অব্যয় আৰু শব্দমূল সম্পৰ্কে আলোচনা কৰা হৈছে ।

১৯২৫ চনত সত্যনাথ বৰাৰ 'বহল ব্যাকৰণ' নামৰ ব্যকৰণ এখন প্ৰকাশ পায় ।ব্যাকৰণখনৰ পাতনিত ব্যাকৰণ সম্পৰ্কে কোৱা হৈছে যে যথাৰ্থ পক্ষত ব্যাকৰণে ভাষা নিশিকায়,ভাষাটোক ফালি ছিৰি তাৰ ভিতৰখন কেনেকুৱা তাক মাথোন দেখুৱাই দিয়ে ।

ইয়াৰ পৰৱৰ্তী সময়ছোৱাত পাঠ্যপুথিৰ চাহিদা পূৰণৰ অৰ্থে বহুকেইখন ব্যাকৰণ ৰচনা কৰা হয় ।তাৰ ভিতৰত হৰিনাৰায়ন দত্তবৰুৱাৰ ব্যাকৰণ পাঠ(২য় সং, ১৯১৮),শৰৎ চন্দ্ৰ গোস্বামীৰ সৰল ব্যাকৰণ(১৯৩৩),কালিচৰণ পাটোৱাৰীৰ ল'ৰাবোধ ব্যাকৰণ(২য় সং,১৯৩৯),গণপতি ভূঞাৰ সাহিত্য সুহৃদ ব্যাকৰণ(১৯৪০),সোণাৰাম চৌধাৰীৰ সাহিত্যবোধ ব্যাকৰণ(১৯৪০),F O Povittir ৰ 'An Assamese Grammar with Vocabulary And Exercise'(১৯৪৯) আদি ব্যাকৰণ উল্লেখযোগ্য ।

১৯৩৬ চনত কালিৰাম মেধিৰ 'অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব' প্ৰকাশ পায় ।ব্যাকৰণখনত ব্যকৰণৰ দিশসমূহৰ লগতে অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ সম্পৰ্কে উল্লেখ কৰা হৈছে।ব্যাকৰণখনত বৰ্ণ প্ৰকৰণ,স্বৰ-ব্যঞ্জন বৰ্ণৰ উচ্চাৰণ,সন্ধি,শব্দ,লিংগ,বচন,বিভক্তি,শব্দৰূপ,

Scanned with CamScanner

ইয়াৰ পাছতে ১৮৪৮ চনত অসমীয়া ভাষাৰ দ্বিতীয়খন ব্যাকৰণ নাথান ব্ৰাউনৰ ‘Grammatical Notices of the Assamese Language’

প্ৰকাশ পায়।

অৱশ্যে ১৮৫৯ চনতহে অসমীয়া মাধ্যমত ৰচিত অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ হেমচন্দ্ৰ বৰুৱাৰ ‘অসমীয়া ভাষাৰ ব্যাকৰণ’ প্ৰকাশ পায়।

মুঠ ১১ টা ভাগত বিভক্ত ব্যাকৰণখনত ধ্বনিগত,ৰূপগত আৰু বাক্যগত দিশৰ আলোচনাৰে অসমীয়া ভাষাৰ লিখিত ৰূপটোক এক শৃংখলাবদ্ধ ৰূপৰ মাজলৈ আনিবলৈ যত্ন কৰা হৈছে।

ইয়াৰ পৰৱৰ্তী সময়ছোৱাত দীনবন্ধু তৰ্কালংকাৰৰ অসমীয়া ল’ৰাৰ ব্যাকৰণ(১৮৭৪),হেমচন্দ্ৰ বৰুৱাৰ অসমীয়া ল’ৰাৰ ব্যাকৰণ(১৮৮২),ধৰ্মেশ্বৰ গোস্বামীৰ ল’ৰাবোধ ব্যাকৰণ(১৮৮৪),নাৰায়ণ শৰ্মা বিদ্যাভূষণৰ আশুতোষ ব্যাকৰণ(১৮৯৬),শিৱনাথ ভট্টাচাৰ্যৰ পঢ়াশালীয়া অসমীয়া ব্যাকৰণ(১৮৯৬) প্ৰকাশ পায়। উল্লেখযোগ্য যে ১৮৯৪ চনত জি এফ নিকল চাহাবে তেওঁৰ ‘Manual of the Bengali Language’ নামৰ বাংলা ব্যাকৰণখনৰ শেষত ‘Appendix V Sketch of Assamese Grammar’ শীৰ্ষকৰে ৪০ পৃষ্ঠাৰ অসমীয়া ভাষাৰ ব্যাকৰণ এখনো সংযোজিত কৰিছিল।

**বিংশ শতিকাৰ অসমীয়া ভাষাৰ ব্যাকৰণ চৰ্চা :**

বিংশ শতিকাত প্ৰকাশিত অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ হৈছে লোকনাথ শৰ্মাৰ ‘অসমীয়া ব্যাকৰণ’। এইখন ১৯১০ চনত প্ৰকাশ পাইছিল।

Scanned with CamScanner

কাৰক,বিশেষণ, সংখ্যাবাচক শব্দ,সৰ্বনাম,ক্ৰিয়া বিশেষণ,ধাতু, ক্ৰিয়াৰ কাল-ৰূপ, বাচ্য, সমাস, প্ৰত্যয় ইত্যাদি দিশৰ বিশদ আলোচনা আছে ।এই ব্যাকৰণখন ঐতিহাসিক-বিৱৰ্তনমূলক পদ্ধতিত ৰচিত ।

বিংশ শতিকাৰ পঞ্চাছৰ দশকত প্ৰকাশিত আন কেইখনমান ব্যাকৰণ হ'ল- ঘনকান্ত শৰ্মাৰ অসমীয়া ভাষাশিক্ষা ব্যাকৰণ(১৯৫০),আদিত্য চন্দ্ৰ ভৰালীৰ সৰল ব্যাকৰণ পাঠ(১৯৫১), ভূপেন্দ্ৰনাথ চৌধাৰীৰ অসমীয়া ভাষাৰ ব্যাকৰণ(১৯৫১), তাৰানাথ বৰপূজাৰীৰ অসমীয়া ভাষাবোধ ব্যাকৰণ(১৯৫২), উমানাথ শৰ্মাৰ উজু ব্যাকৰণ(১৯৫৩), গিৰিধৰ শৰ্মাৰ আধুনিক অসমীয়া ভাষাৰ ব্যাকৰণ(১৯৫৩), ডিম্বেশ্বৰ নেওগৰ শুধ ব্যাকৰণ(১৯৫৩), হৰিচন্দ্ৰ ভট্টাচাৰ্যৰ অসমীয়া ব্যাকৰণৰ জিলিঙনি(১৯৫৪), হৰমোহন দাসৰ নতুন ব্যাকৰণ(১৯৫৬) ইত্যাদি ।

বিংশ শতিকাৰ সত্তৰৰ দশকত প্ৰকাশিত কেইখনমান ব্যাকৰণ হৈছে- এম ইব্ৰাহিম আলিৰ নতুন ব্যাকৰণ চিনাকি(১৯৭১), মুকুন্দ মাধৱ শৰ্মাৰ ব্যাকৰণ মঞ্জৰী(১৯৭২), হৰেন্দ্ৰনাথ শৰ্মাৰ আদৰ্শ ব্যাকৰণ(১৯৭২), বৈকুণ্ঠনাথ শৰ্মাৰ ছাত্ৰবোধ ব্যাকৰণ(১৯৭২), আব্দুল চাত্তাৰ আৰু অমৰ সিং ফুকনৰ মৌ ব্যাকৰণ(১৯৭২), মঞ্জুমালা দাস আৰু ভুবন মোহন দাসৰ সৰল প্ৰাথমিক ব্যাকৰণ(১৯৭২), বিনন্দ চন্দ্ৰ বৰ্মনৰ অসমীয়া ভাষাবোধ ব্যাকৰণ(১৯৭২), কেশৱ চন্দ্ৰ গোস্বামীৰ অসমীয়া ব্যাকৰণ পৰিচয় আৰু অসমীয়া ব্যাকৰণ প্ৰবোধ(১৯৭২), গজেন্দ্ৰ নাথ চহৰীয়াৰ ব্যাকৰণ মঞ্জুৰী(১৯৭২), গোলোকচন্দ্ৰ গোস্বামীৰ অসমীয়া গোলোক ব্যাকৰণ(প্ৰবোধ ভাগ ১৯৭২), নৱকান্ত বৰুৱা, সদা মৰল আৰু অমৰেন্দ্ৰ গোস্বামীৰ প্ৰাৰম্ভিক অসমীয়া ব্যাকৰণ(১৯৭৩), সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীৰ সৰল ব্যাকৰণ(১৯৭৪), ভগৱান

Scanned with CamScanner

মৰলৰ অসমীয়া ব্যাকৰণ জ্যোতি(১৯৭৪), ফণীন্দ্ৰ নাৰায়ণ দত্তবৰুৱাৰ ব্যৱহাৰিক অসমীয়া ব্যাকৰণ(১৯৭৪), উপেন্দ্ৰনাথ গোস্বামীৰ অসমীয়া ভাষাৰ ৰূপকথা (১৯৭৪), গোলোকচন্দ্ৰ গোস্বামীৰ অসমীয়া গোলোক ব্যাকৰণ(সুবোধ ভাগ ১৯৭৩) আদি।

উপেন্দ্ৰনাথ গোস্বামীৰ ‘অসমীয়া ভাষাৰ ৰূপকথা’ত অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনিবোৰৰ সংক্ষিপ্ত বিৱৰণ দিয়াৰ লগতে সেইবোৰৰ সংযোগত হোৱা ৰূপবোৰৰ আলোচনা কৰা হৈছে ।আনহাতে গোলোকচন্দ্ৰ গোস্বামীৰ ‘গোলোক ব্যাকৰণ’ৰ প্ৰবোধ আৰু সুবোধ ভাগত পঢ়াশালীয়া পাঠ্যপুথি হিচাপে ৰচিত হ’লেও ইয়াত ভাষাবৈজ্ঞানিক নীতি আৰু সুত্ৰ খটুৱাই অসমীয়া ভাষাৰ গঠনৰ আলোচনা কৰা হৈছে ।

বিংশ শতিকাৰ আশী দশকত প্ৰকাশিত কেইখনমান ব্যাকৰণ হৈছে- উপেন্দ্ৰনাথ গোস্বামীৰ অসমীয়া ভাষাৰ ব্যাকৰণ(১৯৮১) আৰু গোলোকচন্দ্ৰ গোস্বামীৰ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ(১৯৮৭), প্ৰিয়দাস তালুকদাৰৰ উচ্চমানৰ অসমীয়া ভাষাবোধিকা(১৯৮৮), বাপচন্দ্ৰ মহন্তৰ অসমীয়া ব্যাকৰণৰ ৰূপৰেখা(১৯৮৯) আদি ।

‘অসমীয়া ভাষাৰ ব্যাকৰণ’ত ভাষা আৰু ব্যাকৰণৰ সংজ্ঞা আগবঢ়োৱাৰ লগতে অসমীয়া ভাষাৰ ধ্বনিগত,ৰূপগত,বাক্যগত,জতুৱা ঠাঁচ, খণ্ডবাক্য আদিৰ আলোচনাক সামৰি লোৱা হৈছে ।প্ৰিয়দাস তালুকদাৰৰ ‘উচ্চমানৰ অসমীয়া ভাষাবোধিকা’ত অসমীয়া ভাষাৰ আখৰ-জোঁটনি,সন্ধি,সমাস বিশ্লেষণ,পদ প্ৰকৰণ,কাৰক তথা বিভক্তি নিৰ্ণয় আদিৰ বিষয়ে নতুন ধৰণৰে আলোচনা কৰা হৈছে ।গোলোকচন্দ্ৰ গোস্বামীৰ অসমীয়া ব্যকৰণৰ মৌলিক বিচাৰ’ৰ স্বগত অংশত স্পষ্টভাৱে উল্লেখ আছে যে “অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ-অসমীয়া ভাষাৰ ব্যাকৰণ নহয় ।

Scanned with CamScanner

অসমীয়া ভাষাৰ ব্যাকৰণ কেনে হোৱা উচিত,ইয়াত প্ৰধানত কি কি বিষয়ৰ কেনেদৰে বিশ্লেষণ হ'ব লাগে তাৰ আলোচনাই এই পুথিৰ উদ্দেশ্য"। ব্যাকৰণখনতভাষা, ভাষাৰ জন্ম,ধ্বনি, ধ্বনিৰ প্ৰয়োগ,ভাষাৰ সমগ্ৰী-লয়,ব্যাকৰণৰ স্বতন্ত্ৰতা,অসমীয়া ভাষাৰ ধ্বনি,বৰ্ণ,আখৰ,অক্ষৰ আৰু অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বিচাৰ-বিশ্লেষণ আদি সকলোখিনি দিশ সামৰা হৈছে ।

১৯৯৯ চনত দ্বীপ্তি ফুকন পাটগিৰিৰ "আধুনিক অসমীয়া ব্যাকৰণ"প্ৰকাশ পায় ।ব্যাকৰণখনত অসমীয়া ভাষাৰ ধ্বনি আৰু শব্দৰ লগতে জতুৱা ঠাঁচ, খণ্ডবাক্য আদিৰ আলোচনা আগবঢ়োৱা হৈছে।

**একবিংশ শতিকাৰ অসমীয়া ভাষাৰ ব্যাকৰণ চৰ্চা:**

একবিংশ শতিকাত বৰ্তমানলৈ ৩ খন ব্যাকৰণ প্ৰকাশিত হৈছে-ড° গোলোকচন্দ্ৰ গোস্বামীৰ অসমীয়া ব্যাকৰণ প্ৰৱেশ(২০০০),আমাৰ ভাষাৰ অনুশীলন(২০০০) আৰু লীলাৱতী শইকীয়া বৰাৰ সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ(২০০২)।

'অসমীয়া ব্যাকৰণ প্ৰৱেশ' খন গোলোকচন্দ্ৰ গোস্বামীৰ গোলোক ব্যাকৰণৰ প্ৰবোধ ভাগটোৰ ভিত্তিত ৰচিত যদিও ব্যাকৰণখনত পূৰ্বতকৈ অধিক বিজ্ঞানসন্মত আৰু পৰিমাৰ্জিত ৰূপত গাঁথনিক ভাষাবিজ্ঞানৰ আধাৰত ভাষা কি,ভাষাৰ ভাগ, ব্যাকৰণ,অভিধান আদিৰ লগতে বৰ্ণমালাৰ সংজ্ঞা, অসমীয়া ভাষাৰ স্বৰবৰ্ণ-ব্যঞ্জনবৰ্ণ;বানান, সন্ধি,প্ৰাকৃতি প্ৰকৰণ,বিভক্তি,বচন, পদ প্ৰকৰণ,শব্দ প্ৰকৰণ আৰু বাক্য বিশ্লেষণ আদি দিশ বিস্তৃতভাৱে আলোচনা কৰা হৈছে ।

Scanned with CamScanner

লীলাৱতী শইকীয়া বৰাৰ সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ'খন এখন তুলনামূলক ব্যাকৰণ। ব্যাকৰণখনত সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰস্বৰবৰ্ণ-ব্যঞ্জনবৰ্ণ, স্বৰবৰ্ণৰগুণ-বৃদ্ধি-সম্প্ৰসাৰণ,সন্ধি,শব্দৰূপ আৰু ধাতুৰূপৰ মাজত তুলনামূলক আলোচনা আগবঢ়োৱা হয় ।ব্যাকৰণখনৰ উপক্ৰমণিকা অংশত ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ ধাৰা দেখুৱাই প্ৰতিটো স্তৰৰে ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্যবোৰ আলোচনা কৰা হৈছে।

ইয়াৰ উপৰিও ২০০০ চনত ড° গোলোকচন্দ্ৰ গোস্বামীৰ 'আমাৰ ভাষাৰ অনুশীলন' শীৰ্ষক এখন ব্যাকৰণ তেওঁৰ গোলোক ব্যাকৰণৰ সুবোধ ভাগটোৰ ভিত্তিত কিন্তু পূৰ্বতকৈ অধিক বিজ্ঞানসন্মত আৰু পৰিমাৰ্জিত ৰূপত প্ৰকাশ পাইছে।

এইদৰে উনবিংশ শতিকাৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে অসমীয়া ভাষাত বহুতো ব্যাকৰণ প্ৰণয়ন কৰা হৈছে ।অৱশ্যে এনেদৰে ক্ৰমগতিত অসমীয়া ব্যাকৰণ ৰচনাৰ প্ৰবাহটো বৈ আহিলেও স্বকীয়তাৰ অভাৱত অধিকাংশ ব্যাকৰণে বৰ্তমান পাবলৈ নাই বা অপ্ৰচলিত।

---

**গ্ৰন্থপঞ্জী:**

১)মেধি,কালিৰাম অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব

২)মহন্ত,দীপকজ্যোতি অসমীয়া সহিত্য বৈচিত্ৰ্য আৰু বৈবিধ্য

৩)ভৰালী,দেবানন্দ অসমীয়া ভাষাৰ মৌলিক বিচাৰ

৪)গোস্বামী,গোলোকচন্দ্ৰ অসমীয়া ব্যাকৰণৰ

Scanned with CamScanner